নং ঃ ১৭/২০২১

# মুখ্যমন্ত্ৰীয়ে ধান ক্ৰয়ৰ পদ্ধতি সম্পৰ্কত বৰ্তমানে থকা ব্যৱস্থাৱলীৰ বুজ ল'লে

## প্ৰতিটো উন্নয়ন খণ্ডতে ক্ৰয় কেন্দ্ৰ স্থাপন কৰিবলৈ ভাৰতীয় খাদ্য নিগমক আহ্বান

## গ্ৰামাঞ্চলত ক্ৰয় আৰু বজাৰ ব্যৱস্থাৰ আন্তঃগাঁথনি শক্তিশালীকৰণৰ ওপৰত মুখ্যমন্ত্ৰীৰ গুৰুত্ব আৰোপ

**দিছপুৰ, ৮ জানুৱাৰী ঃ** কৃষকৰ কল্যাণৰ প্ৰতি থকা দায়বদ্ধতাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে ৰাজ্য চৰকাৰে প্ৰতি কুইন্টল ধানৰ যি ন্যূনতম সমৰ্থিত মূল্য ১৮৬৮ টকা ধাৰ্য কৰিছিল সেই অনুসৰি চৰকাৰে ধান ক্ৰয় কৰিব যাতে ৰাজ্যৰ খেতিয়কসকল উপকৃত হ'ব পাৰে। আজি মুখ্যমন্ত্ৰীৰ চৰকাৰী আৱাস গৃহত খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা আৰু ভাৰতীয় খাদ্য নিগমৰ শীৰ্ষ বিষয়াসকলৰ সৈতে হোৱা এক বৈঠকত অধ্যক্ষতা কৰি মুখ্যমন্ত্ৰী সোণোৱালে এইদৰে কয়। ৰাজ্যত ধান ক্ৰয়ৰ ব্যৱস্থাটো আৰু অধিক ত্বৰান্বিত কৰাৰ উদ্দেশ্যৰে অনুষ্ঠিত এই বৈঠকত মুখ্যমন্ত্ৰীয়ে খাদ্য, অসামৰিক আৰু যোগান, গ্ৰাহক পৰিক্ৰমা বিভাগ আৰু কৃষি বিভাগৰ বিষয়াসকলক সন্মিলিত প্ৰয়াসেৰে বৰ্তমানে বাহাল থকা ধান ক্ৰয়ৰ বিষয়টো পৰ্যালোচনা কৰিবলৈও নিৰ্দেশ দিয়ে। তেওঁ কয় যে কৃষকৰ পৰা ধান ক্ৰয় কৰা, কৃষকে উৎপাদন কৰা সামগ্ৰী বিক্ৰী কৰাকে ধৰি কৃষকৰ অন্যান্য অত্যাৱশ্যকীয় সামগ্ৰী বিক্ৰী কৰাৰ ক্ষেত্ৰত বৰ্তমানে থকা ব্যৱস্থাটো শিথিল কৰিব লাগে যাতে কৃষকে নিজস্ব উৎপাদিত সামগ্ৰী বিক্ৰী কৰাৰ ক্ষেত্ৰত কোনো অসুবিধাৰ সন্মুখীন হ'ব নালাগে।

ধাৰ্য কৰা প্ৰতিকুইন্টল ধানৰ ন্যূনতম সমৰ্থিত মূল্য কৃষকক প্ৰদান কৰাৰ ক্ষেত্ৰত বৰ্তমানৰ ৰাজ্য চৰকাৰ দায়বদ্ধ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যৰ অৰ্থনীতি কৃষি নিৰ্ভৰশীল। কৃষকৰ আৰ্থ-সামাজিক বিকাশৰ ওপৰত ৰাজ্যৰ বিকাশ নিৰ্ভৰশীল। সেইবাবে ৰাজ্য চৰকাৰে কৃষকসকলৰ আৰ্থ-সামাজিক উত্তৰণৰ বাবে দৃঢ়তাৰে কাম কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে লগতে কৃষকসকলে যাতে ন্যূনতম সমৰ্থিত মূল্যত তেওঁলোকৰ ধান বিক্ৰী কৰিব পাৰে তাৰ বাবে ভাৰতীয় খাদ্য নিগমৰ লেখীয়া চৰকাৰী কৰ্তৃত্বশীল এজেন্সীৰ ওচৰত বিক্ৰী কৰিবলৈও কৃষকসকলক আহ্বান জনায়।

ৰাজ্যৰ ধান ক্ৰয়ৰ ক্ষেত্ৰত ভাৰতীয় খাদ্য নিগমৰ ভূমিকাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ভাৰতীয় খাদ্য নিগমৰ কাৰ্যবাহী সঞ্চালক মনোজ কুমাৰ গগৈক ৰাজ্যখনত বৰ্তমানে থকা ৩৯ টা কেন্দ্ৰৰ বিপৰীতে আৰু অধিক ধান ক্ৰয় কৰা কেন্দ্ৰ মুকলি কৰিবলৈ কয়। কৃষকসকলৰ কৃষি উৎপাদন বৃদ্ধি কৰিব লাগিলে

গাঁও পৰ্যায়ত ধান ক্ৰয় কেন্দ্ৰ মুকলি কৰিব লাগিব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে ভাৰতীয় খাদ্য নিগমক ৰাজ্যখনৰ প্ৰতিটো উন্নয়ন খণ্ডতে একোটাকৈ ধান ক্ৰয় কেন্দ্ৰ মুকলি কৰিবলৈ কয় যাতে কৃষকসকলে সেই সুনিৰ্দিষ্ট কেন্দ্ৰত নিজৰ উৎপাদিত সামগ্ৰী বিক্ৰী কৰাৰ বাবে সুবিধা লাভ কৰে।

ৰাজ্যখনৰ কৃষি খণ্ডৰ বিকাশ, কৃষকৰ উৎপাদন, ক্ৰয় আৰু বজাৰ ব্যৱস্থাৰ বিকাশ সাধনৰ ওপৰত নিৰ্ভৰ কৰে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ গ্ৰামাঞ্চলত সামগ্ৰী ক্ৰয় কৰা আন্তঃগাঁথনি অধিক শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে যাতে কৃষকসকলে নিজৰ উৎপাদিত সামগ্ৰীৰ বজাৰ ব্যৱস্থা এটা লাভ কৰিব পাৰে। মুখ্যমন্ত্ৰীয়ে বৰাক উপত্যকা অঞ্চলত অগ্ৰাধিকাৰৰ ভিত্তিত ক্ৰয় আৰু বিক্ৰয় কেন্দ্ৰ স্থাপনৰ বাবে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কৃষি বিভাগৰ প্ৰধান সচিব ৰাজেশ প্ৰসাদক মুখ্যমন্ত্ৰীৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত কৃষি আন্তঃগাঁথনি উন্নয়নৰ দিশত পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে

আজিৰ এই বৈঠকত খাদ্য, অসামৰিক  যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ফণী ভূষণ চৌধুৰী, খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব ছৈয়াদিন আব্বাচী, মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ, কৃষি বিভাগৰ প্ৰধান সচিব ৰাজেশ প্ৰসাদ, ভাৰতীয় খাদ্য নিগমৰ কাৰ্যবাহী সঞ্চালক মনোজ কুমাৰ গগৈ আৰু মহাপ্ৰবন্ধক কুমুদ কুমাৰ বৰুৱা আৰু অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**সুঃদঃ / পুঃডেঃ /**
**৮/০১/২০২১**